যি ব্যক্তিয়ে তাৰ কোনো ভাতৃৰ মান-সন্মানত আহিবলগীয়া আঘাত প্রতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ মুখমণ্ডল (জাহান্নামৰ) জুইৰ পৰা ৰক্ষা কৰিব।

আবু দাৰদা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে
কৈছেঃ যি ব্যক্তিয়ে তাৰ কোনো ভাতৃৰ মান-সন্মানত আহিবলগীয়া আঘাত প্রতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে সেই ব্যক্তিৰ মুখমণ্ডল (জাহান্নামৰ) জুইৰ পৰা ৰক্ষা কৰিব।
[ছহীহ] [(তিৰমিজী, আহমদ)]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত সংবাদ দিছে যে, যি ব্যক্তিয়ে তাৰ মুছলিম ভাতৃৰ অনুপস্থিতিত তাৰ বিৰুদ্ধে হোৱা গীবতৰ প্ৰতিবাদ কৰিব, গীবতকাৰীক কোনো ধৰণৰ কষ্ট নিদিয়াকৈ তাৰ প্রতিৰোধ কৰিব, কিয়ামতৰ দিনা আল্লাহে তাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰিব।

http://www.sunnah.global/hadeeth/as/show/5514